অধ্যায় ২ ঃ অসমীয়া সাহিত্যৰ যুগ বিভাজন

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য

২.১ পৰিচয়

২.৩ অসমীয়া সাহিত্যৰ যুগ বিভাজন

- ২.৩.১ হেমচন্দ্ৰ গোস্বামীৰ বিভাজন
- ২.৩.২ দেবেন্দ্ৰনাথ বেজবৰুৱাৰ বিভাজন
- ২.৩.৩ বাণীকান্ত কাকতিৰ বিভাজন
- ২.৩.৪ ডিম্বেশ্বৰ নেওগৰ বিভাজন
- ২.৩.৫ সত্যেন্দ্ৰনাথ শৰ্মাৰ বিভাজন
- ২.৩.৬ মহেশ্বৰ নেওগৰ বিভাজন
- ২.৩.৭ হেমন্ত কুমাৰ শৰ্মাৰ বিভাজন
- ২.৩.৮ আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থাৰ সাহিত্যৰ বুৰঞ্জীৰ খণ্ডবিভাজন

২.৪ অসমীয়া সাহিত্যৰ যুগ বিভাজনৰ সামগ্ৰিক আলোচনা

২.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

২.৬ অধিক জানিবলৈ

২.৭ অগ্ৰগতিৰ খতিয়ান

২.৮ আৰ্হি প্ৰশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমীয়া সাহিত্যৰ সামগ্ৰিক ইতিহাসৰ আভাস পাব
- বিভিন্ন পণ্ডিতে নিজা দৃষ্টিৰে অসমীয়া সাহিত্যৰ ইতিহাসক কি কি যুগত বিভক্ত কৰিছে সেয়া জানিব পাৰিব
- অসমীয়া সাহিত্যৰ গতিপথৰ প্ৰতিটো যুগৰ সাহিত্যৰ পৰিচয় লাভ কৰিব।

২.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টোত আপুনি লিপি কাক বোলে, ইয়াৰ সৃষ্টি আৰু বিকাশ কেনেদৰে হ'ল সেই সম্পৰ্কে অধ্যয়ন কৰাৰ লগতে অসমীয়া লিপিৰ উদ্ভৱ আৰু বিকাশৰ ধাৰাৰ লগত পৰিচিত হ'ল। লগতে লিপিৰ লেখন সামগ্ৰীৰ সম্যক ধাৰণাও লাভ কৰিলে। বিশেষভাৱে অধ্যয়ন

কৰিলে দুখন শিলালিপি। এইটো অধ্যায়ত আপুনি অসমীয়া সাহিত্যৰ ইতিহাসৰ যুগ বিভাজন সম্পর্কে জ্ঞাত হ'ব।

আপুনি নিশ্চয় জানে যে অসমীয়া সাহিত্যৰ ইতিহাস বহু হাজাৰ বছৰৰ পুৰণি। বিভিন্ন সময়ত বিভিন্ন পৰিৱেশ, পৰিৱর্তন আদিৰ মাজেৰে আহিহে এই সাহিত্য আজিৰ পর্যায়ত উপনীত হৈছে। এটা কথা ঠিক যে "আগেয়ে ভাষা, তাৰ পিছতহে সাহিত্যৰ সৃষ্টি। ভাষা নোহোৱাকৈ সাহিত্যৰ সৃষ্টি হ'ব নোৱাৰে; কিন্তু সাহিত্য নোহোৱাকৈ ভাষা থাকিব পাৰে।" গতিকে অসমীয়া সাহিত্যৰ অতীত বিচাৰিবলৈ যোৱাৰ পূর্বে অসমীয়া ভাষাৰ অতীতটোৰ বিষয়েও ধাৰণা স্পষ্ট হোৱা প্রয়োজন। বিভিন্ন গৱেষণা, ভিন্ন মত আদি অতিক্রম কৰি এটা কথা প্রতিষ্ঠিত হৈছে যে প্রাচীন ভাৰতীয় আর্যভাষাৰ পৰা মধ্য-ভাৰতীয় আর্যৰ মাজেৰে বিৱর্তিত হৈ নব্যভাৰতীয় আর্য ভাষাসমূহে স্পষ্ট ৰূপত আত্মপ্রকাশ কৰে নৱম-দশম শতিকাত। অর্থাৎ অসমীয়া ভাষাৰ জন্ম সেই শতিকাৰ আগলৈ যাব নোৱাৰে। আনহাতে ভাষাগতভাৱে নৱম-দশম শতিকাত অসমীয়াই স্পষ্টৰূপত আত্মপ্রকাশ কৰিলেও ইয়াৰ বিশুদ্ধ সাহিত্যিক নিদর্শন পিছে চতুর্দশ শতিকাৰ কবি হেম সৰস্বতীৰ *প্রহ্লাদ চৰিত*হে। এই বিষয়ে আপুনি দ্বিতীয় যাণ্মাসিকত বহলাই অধ্যয়ন কৰিবলৈ পাব। এইটো অধ্যায়ত অসমীয়া সাহিত্যৰ ইতিহাসকাৰসকলে কেনেদেৰে অসমীয়া সাহিত্যৰ যুগ বিভাজন কৰিছে সেই বিষয়ে বহলাই আলোচনা কৰা হৈছে।

২.৩ অসমীয়া সাহিত্যৰ যুগ বিভাজন

আৰম্ভণিৰে পৰা বর্তমানলৈ অসমীয়া সাহিত্যৰ এই দীঘলীয়া গতিপথৰ বুৰঞ্জী ৰচনা কৰিবলৈ বিভিন্ন সময়ত বিভিন্নজনে প্রয়াস কৰিছে আৰু নিজা দৃষ্টিৰে যুগবিভাজনো কৰিছে। কিন্তু সাহিত্যৰ বুৰঞ্জী ৰচা সহজসাধ্য নহয়। সত্যেন্দ্রনাথ শর্মাৰ মতে "সাহিত্যৰ বুৰঞ্জী জাতিবিশেষৰ ভাৱ, চিন্তা, কল্পনা, আদর্শ আৰু জীৱনধাৰাৰ অভিব্যক্তি। সাহিত্যৰ যোগেদি প্রকাশ পোৱা বিভিন্ন যুগৰ ভাব চিন্তা, প্রকাশভঙ্গী, অভিজ্ঞতা আৰু আংগিকক পৰস্পর্য সূত্রত গাঁথি কার্য কাৰণ সম্পর্ক নির্ণয় কৰি জাতিৰ মানসিক বিকাশৰ ধাৰাটোৰ লগত পাঠকৰ পৰিচয় কৰি দিয়া সাহিত্যৰ বুৰঞ্জীৰ উদ্দেশ্য। এই গ্রন্থখন ওপৰত কোৱা উদ্দেশ্য আগত ৰাখিয়েই ৰচনা কৰা হৈছে।" মহেশ্বৰ নেওগৰ ভাষাত "কিছুমান কিতাপৰ নাম গোট খালেই সাহিত্যৰ বুৰঞ্জী নহয়। কিতাপৰ পাছফালে লুকাই থকা মানুহজন, মানুহজনৰ পিছফালে লুকাই থকা তেওঁৰ দেশ আৰু কালক অস্বীকাৰ কৰিলে কিতাপখনৰ ঠাই সাহিত্যৰ বুৰঞ্জীত নোহোৱা হয়। এই কথাটোলৈ দৃষ্টি ৰাখিছো আৰু পৰাপক্ষত লেখক আৰু লেখাৰ মূল্য নির্ধাৰণৰ যত্ন সততে ৰাখিছো।" সাহিত্যৰ বুৰঞ্জী ৰচনাৰ প্রসঙ্গত এই কথাসমূহৰ মূল্য যথেষ্ট। আনহাতে এনে কথাই বিভিন্নজনে নিজা বিচাৰধাৰাৰ আধাৰতযে অসমীয়া সাহিত্যৰ বুৰঞ্জী ৰচনা কৰিছে সেয়া প্রমাণ কৰে। তেওঁলোকৰ পুথিসমূহত উল্লেখ কৰা যুগবিভাজনৰ মাজত নিজা দৃষ্টিভংগী জড়িত হৈ আছে। সেয়েহে ইয়াত পার্থক্য থকাটো নিতান্ত স্বাভাৱিক। কিন্তু এই বোৰৰ মাজেৰে অসমীয়া সাহিত্যৰ শক্তিশালী মূল ধাৰা আৰু মাইলস্তম্ভসমূহ উপলব্ধিত

অসুবিধা নহয়। তলত তাৰে উল্লেখযোগ্যসমূহ বহলাই আলোচনা কৰা হ'ল।

২.৩.১ হেমচন্দ্ৰ গোস্বামীৰ বিভাজন

অসমীয়া সাহিত্যৰ প্ৰথম যুগ বিভাজন কৰিছিল পণ্ডিত হেমচন্দ্ৰ গোস্বামীয়ে। তেওঁ *জোনাকী*ৰ তৃতীয় বছৰ, দ্বিতীয় সংখ্যাত অসমীয়া ভাষাৰ যুগবিভাজন এনেদৰে দেখুৱাইছিল—

প্ৰথম — অসমীয়া ভাষাৰ উৎপত্তিৰে পৰা শঙ্কৰদেৱৰ জন্মলৈকে

দ্বিতীয় — শঙ্কৰদেৱৰ জন্মৰে পৰা ইংৰাজে অসম দেশ লোৱালৈকে

তৃতীয় — ইংৰাজ ৰাজত্বৰ পাতনিৰে পৰা আজিলৈকে

এই প্ৰসংগত গোস্বামীয়ে কৈছিল — "এই তিনি যুগেই অসমীয়া ভাষাৰ যোৱা জীৱনৰ ব্যাপ্তিকাল। এই তিনি কালৰ সোঁতত কেতিয়াবা উজাই, কেতিয়াবা ভটিয়াই, কেতিয়াবা ভুল পানীত থমক খাই ৰৈ, কেতিয়াবা চাকনৈয়াত ঘূৰিপকি, উটিবুৰি আহি ই এই অৱস্থা পাইছেহি।" ইয়াত তেওঁ অসমীয়া ভাষাৰ যুগবিভাজন কৰিছে যদিও তাৰ ভিত্তি কৰি লৈছে সাহিত্যিক নিদৰ্শনসমূহ আৰু পৰ্বান্তৰসমূহ। ইয়াৰে প্ৰথম যুগটোক তেওঁ 'এন্ধাৰ যুগ' আখ্যা দিছে। পৰৱৰ্তী সময়ত তেওঁ এই বিভাজনসমূহ অধিক স্পষ্ট কৰে আৰু তলত দেখুওৱা ধৰণে তুলি ধৰে—

১) গীতিযুগ (খ্ৰীঃ ৬০০—৮০০)

২) মন্ত্ৰ আৰু ভণিতা যুগ (৮০০—১২০০)

৩) প্ৰাক্-বৈষ্ণৱ যুগ (১২০০—১৪৫০)

৪) বৈষ্ণৱ যুগ (১৪৫০—১৬০০)

৫) বিস্তাৰ যুগ (১৬০০—১৮০০)

৬) বৰ্তমান যুগ (১৮০০—বৰ্তমানলৈকে)

২.৩.২ দেবেন্দ্ৰনাথ বেজবৰুৱাৰ বিভাজন

অসমীয়া ভাষাৰ বুৰঞ্জী ৰচনাৰ বাটকটীয়া দেবেন্দ্ৰনাথ বেজবৰুৱাই ১৮৫৫ শকত প্ৰকাশিত তেওঁৰ *অসমীয়া ভাষা আৰু সাহিত্যৰ বুৰঞ্জী* গ্ৰন্থত অসমীয়া সাহিত্যৰ যুগবিভাজন কৰিছিল। তেওঁ পুথিখনত প্ৰথমে অসমীয়া ভাষা সম্পৰ্কে পাশ্চাত্যৰ ব্যক্তিসকলে আগবঢ়োৱা মতামত, অসমীয়া ভাষাৰ উৎপত্তি, আখৰ-জোঁটনি আদি আলোচনা কৰি ক্ৰমান্বয়ে যুগবিভাজনলৈ আগবাঢ়িছে। তেওঁ অসমীয়া সাহিত্যৰ বুৰঞ্জীক এনেদৰে তিনিটা যুগত ভাগ কৰি দেখুৱাইছে —

ক) আদি যুগ — অসমীয়া ভাষা আৰম্ভ হোৱাৰেপৰা শঙ্কৰদেৱৰ জন্মলৈকে

খ) মাজৰ বা উন্নতিৰ যুগ(শঙ্কৰী যুগ) — শঙ্কৰদেৱৰ জন্মৰ পৰা ইংৰাজে শাসনভাৰ

লোৱালৈকে, অর্থাৎ ১৩৭১ শকৰ পৰা ১৭৪৮ শকলৈকে

গ) বর্তমান যুগ — ১৮২৬ খ্ৰীষ্টাব্দৰ পৰা বুৰঞ্জী লিখালৈকে

অসমীয়া সাহিত্যৰ আদি যুগ সম্পর্কত বেজবৰুৱাই পূর্বৰ গোস্বামীৰ সৈতে একে ধৰণৰ মন্তব্য আগবঢ়াইছে। তেওঁৰ মতে — "এই যুগৰ অৱস্থা যদিও আমাৰ কাৰণে একেবাৰে খোলোচা নহয়, তথাপি আচাৰ-ব্যৱহাৰ, ভাষাৰ গঢ়-গতিৰ পক্ষে আজি-কালি বহুত বেমেজালি কমিছে। এই যুগৰ বুৰঞ্জী পোৱা টান, কাৰণ তেতিয়া হিন্দুসকলৰ বুৰঞ্জী লেখা প্রথা নাছিল।" শঙ্কৰদেৱৰ যুগটোক তেওঁ 'উন্নতিৰ যুগ' আখ্যা দি অসমীয়া ভাষাৰ সমৃদ্ধিৰ আভাস প্রদান কৰিছে। এই যুগত তেওঁ মাধৱদেৱ, ৰাম সৰস্বতী, অনন্ত কন্দলিৰ উপৰি এই সময়ৰ আন কবিসকলক অন্তর্ভুক্ত কৰিছে। ব্রিটিছ শাসন অসমৰ সমাজৰ বাবে মাইলস্তম্ভ হোৱাৰ দৰে সাহিত্যৰ ইতিহাসৰো যে মাইলস্তম্ভ সেয়া তেখেতৰ যুগবিভাজনত স্পষ্ট হৈছে। সেয়েহে এই স্তম্ভৰ আৰম্ভণিৰ পৰা পৰৱর্তী সময়ক তেওঁ বর্তমান যুগৰ অন্তর্ভুক্ত কৰি আলোচনা কৰিছে।

২.৩.৩ বাণীকান্ত কাকতিৰ বিভাজন

অসমীয়া ভাষাৰ গঠন আৰু ঐতিহ্যৰ বিজ্ঞানসন্মত অধ্যয়নৰ বাটকটীয়া বাণীকান্ত কাকতিয়ে তেওঁৰ *Assamese: Its Formation and Development* গ্রন্থত অসমীয়া ভাষাৰ উৎপত্তি আৰু ইয়াৰ ইতিহাস দেখুৱাবলৈ যত্ন কৰিছে। তেওঁ যদিও ভাষাৰ ইতিহাস বুলি কৈছে কিন্তু ইয়াৰ জৰিয়তে অসমীয়া সাহিত্যৰো ইতিহাস স্পষ্ট হৈ উঠিছে। কাৰণ তেওঁ ভাষাৰ ইতিহাসৰ স্তৰ বিভাজন কৰিছে সাহিত্যিক নিদর্শনৰ ভিত্তিতহে। কাকতিৰ এই বিভাজন এনেধৰণৰ —

১) প্রাচীন অসমীয়া স্তৰ (চতুর্দশ শতিকাৰ পৰা ষষ্ঠদশ শতিকাৰ শেষলৈ)
ক) প্রাক্-বৈষ্ণৱ যুগ, খ) বৈষ্ণৱ যুগ

২) মধ্য অসমীয়া স্তৰ (সপ্তদশ শতিকাৰ পৰা ঊনবিংশ শতিকাৰ আৰম্ভণিলৈ) (আহোম ৰাজশাসনকেন্দ্রিক গদ্য যুগ)

৩) আধুনিক অসমীয়া স্তৰ (ঊনবিংশ শতিকাৰ আৰম্ভণিৰ পৰা বর্তমানলৈ)

কাকতিয়ে চর্যাপদ আৰু বড়ু চণ্ডীদাসৰ *শ্রীকৃষ্ণ-কীর্তন*ক প্রাক্-অসমীয়া বুলি ধৰি স্পষ্ট সাহিত্যিক নিদর্শনৰ আধাৰত এনেদৰে অসমীয়া ভাষাৰ যুগবিভাজন কৰিছে। সেয়েহে তেওঁ অসমীয়া ভাষাৰ সাহিত্যিক নিদর্শন প্রথম হেম সৰস্বতীৰ *প্রহ্লাদ চৰিত*ৰ মাজতহে বিচাৰি পাইছে। কাকতিয়ে প্রাচীন অসমীয়া স্তৰৰ অসমীয়া সাহিত্যক প্রাক্-বৈষ্ণৱ আৰু বৈষ্ণৱ যুগ হিচাপে উপবিভাগ কৰি দেখুৱাইছে। হেম সৰস্বতী, হৰিহৰ বিপ্র, কবিৰত্ন সৰস্বতী আৰু মাধৱ কন্দলিকে ধৰি এই কেউজনৰ সাহিত্যৰে কাকতিয়ে প্রাক্-বৈষ্ণৱ উপযুগটোৰ অৱয়ৱ অংকন কৰিছে। আনহাতে

শংকৰদেৱ আৰু তেওঁৰ উত্তৰসূৰীসকলক লৈ বৈষ্ণৱ যুগ হিচাপে সামৰিব বিচাৰিছে।

বাণীকান্ত কাকতিয়ে অসমীয়া ভাষাৰ মধ্য স্তৰটোক 'গদ্য যুগ' আখ্যা দিছে। আহোম ৰজাঘৰৰ তত্ত্বাৱধানত ৰচনা কৰা বুৰঞ্জী সাহিত্যৰ কথা স্পষ্টকৈ ক'লেও চৰিতৰ গদ্যও এই সময়ৰ অন্তর্গত। সেইদৰে আমেৰিকান মিছনেৰীসকলৰ দ্বাৰা ১৮১৯ চনত অসমীয়া ভাষাত বাইবেল প্ৰকাশৰ লগে লগে আধুনিক অসমীয়া স্তৰ আৰম্ভ হয় বুলি তেওঁ কৈছে।

২.৩.৪ ডিম্বেশ্বৰ নেওগৰ বিভাজন

অসমীয়া সাহিত্যৰ ইতিহাস ৰচনাৰ আন এজন পথ-প্ৰদৰ্শক ডিম্বেশ্বৰ নেওগে অসমীয়া সাহিত্যৰ যুগ-বিভাগ তলত দিয়া ধৰণে কৰি দেখুৱাইছে—

১) আদি যুগ (৮০০-১২০০ খ্ৰীষ্টাব্দ)
২) প্ৰাগ্-বৈষ্ণৱ যুগ (১২০০-১৪৫০)
৩) বৈষ্ণৱ যুগ (১৪৫০-১৬৫০)
৪) বিস্তাৰ যুগ (১৬৫০-১৮৩০)
৫) বৰ্তমান যুগ (১৮৩০-১৯৪০)

২.৩.৫ সত্যেন্দ্ৰনাথ শৰ্মাৰ বিভাজন

অসমীয়া সাহিত্যৰ এজন ইতিহাসপ্ৰণেতা সত্যেন্দ্ৰনাথ শৰ্মাই ১৯৫৯ চনত *অসমীয়া সাহিত্যৰ ইতিবৃত্ত* নামৰ যিখন পুথি ৰচনা কৰিছিল সেইখনেই পৰৱৰ্তী সময়ত পৰিৱৰ্দ্ধিত ৰূপত *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত* নামেৰে প্ৰকাশ পাইছিল। অসমীয়া সাহিত্যৰ এই বুৰঞ্জীখনত তেওঁ অসমীয়া সাহিত্যৰ গতিপথ দেখুৱাবলৈ গৈ প্ৰথমে অসমীয়া ভাষা আৰু অসমীয়া লিপিৰ আভাস দাঙি ধৰিছে আৰু ইয়াৰ পিছতেই সাহিত্যৰ যুগবিভাজন এনেদৰে আগবঢ়াইছে—

১) আদি যুগ ঃ চর্যাপদ আৰু অন্যান্য ৰচনা
২) মধ্য যুগ
    ক) প্ৰাক্‌শংকৰী যুগৰ সাহিত্য
    খ) বঙলা অসমীয়া উমৈহতীয়া সাহিত্য
    গ) পাঁচালি সাহিত্য
    ঘ) বৈষ্ণৱ সাহিত্য ঃ শঙ্কৰী যুগ
    ঙ) বৈষ্ণৱ সাহিত্য ঃ শঙ্কৰোত্তৰ যুগ
    চ) বিস্তাৰ আৰু অৱসাদ কাল ঃ (খৃঃ ১৭০০-১৮২৬)

৩) বর্তমান যুগ

ক) বর্তমান সাহিত্য

খ) হেমচন্দ্র-গুণাভিৰামৰ অভ্যুদয়

গ) ৰমন্যাসৰ যুগ

ঘ) উত্তৰ স্বাধীনতা কালৰ সাহিত্য

সত্যেন্দ্রনাথ শর্মাৰ বিভাজনলৈ লক্ষ্য কৰিলে দেখা যায় যে অসমীয়া সাহিত্যক তেওঁ মূলতঃ তিনিটা যুগত বিভক্ত কৰিছে।প্রথম যুগৰ নিদর্শন হিচাপে চর্যাপদ, মন্ত্র সাহিত্য আৰু ডাকৰ বচনৰ কথা কৈছে। মধ্য যুগৰ প্রাক্‌শঙ্কৰী কবি হ'ল হেম সৰস্বতী, কবিৰত্ন সৰস্বতী, ৰুদ্র কন্দলী, হৰিবৰ বিপ্র আৰু মাধৱ কন্দলী। বড়ু চণ্ডীদাসৰ *শ্রীকৃষ্ণ-কীর্ত্তন,* ৰামাই পণ্ডিতৰ *শূন্য পুৰাণ* আৰু নাথ সাহিত্যক তেওঁ প্রাক্‌ শঙ্কৰী আৰু শঙ্কৰী যুগৰ মাজৰ সময়ত ঠাই দিছে।বৈষ্ণৱ প্রভাৱমুক্ত পাঁচালী সাহিত্যক তেওঁ শঙ্কৰী যুগৰ অন্তর্ভুক্ত নকৰি মধ্য যুগৰ অন্যতম ভাগ হিচাপে ৰাখিছে। আনহাতে শঙ্কৰদেৱৰ সাহিত্যিক অভ্যুত্থানৰ পৰা মাধৱদেৱ, অনন্ত কন্দলী, ৰাম সৰস্বতী, ৰত্নাকৰ কন্দলী, সার্বভৌম ভট্টাচার্য্য, শ্রীধৰ কন্দলী আদিলৈকে তেওঁ শঙ্কৰী যুগৰ ভিতৰত ধৰিছে। ইয়াৰ পিছৰে পৰা বর্তমান যুগৰ আগলৈকে শঙ্কৰোত্তৰ সময়ছোৱাক তেওঁ দুটা ভাগত ভগাইছে। ভট্টদেৱৰ সাহিত্যকে মুখ্য কৰি সত্রকেন্দ্রিক নাট, গীত, মহাভাৰতৰ অনুবাদ, চৰিত সাহিত্য আদিক শঙ্কৰোত্তৰ যুগৰ বৈষ্ণৱ সাহিত্য হিচাপে দেখুৱাইছে। আনহাতে 'বৈষ্ণৱ সাহিত্য ঃ শঙ্কৰোত্তৰ যুগ' নামৰ শাখাতে তেওঁ ব্যৱহাৰিক সাহিত্য আৰু বুৰঞ্জী সাহিত্যৰ জন্মৰ প্রসংগ আলোচনা কৰিছে। শঙ্কৰোত্তৰ যুগৰ পিছৰ সময়ছোৱাক তেওঁ 'বিস্তাৰ আৰু অৱসাদ কাল' বুলি অভিহিত কৰি আদি ৰসাত্মক কাব্য, ব্যৱহাৰিক সাহিত্য, বুৰঞ্জী সাহিত্য, ৰামায়ণী সাহিত্য, মহাভাৰতীয় সাহিত্য, কোচ ৰাজসভাৰ কবিৰ সাহিত্য, চুফীমূলক সাহিত্য আদি ধৰণে সাহিত্যসমূহ অন্তর্ভুক্ত কৰিছে।

অসমীয়া সাহিত্যৰ তৃতীয় যুগটো হ'ল বর্তমান যুগ। ইয়াৰে বর্তমান সাহিত্য হিচাপে দেখুওৱা প্রথম স্তৱটোক শর্মাই প্রাক্‌-অৰুণোদয় স্তৱ, অৰুণোদয় প্রকাশ, অৰুণোদয়ৰ প্রভাৱমুক্ত লেখক আদি ধৰণে ভাগ কৰি আলোচনা কৰিছে। হেমচন্দ্র বৰুৱা আৰু গুণাভিৰাম বৰুৱাৰ সাহিত্য যাত্রাৰ আৰম্ভণিৰেপৰা *জোনাকী*ৰ জন্মৰ আগলৈকে এটা সুকীয়া স্তৱ হিচাপে ধৰি লম্বোদৰ বৰা, কমলাকান্ত ভট্টাচার্য আদি লেখকসকলক তেওঁ ইয়াত ৰাখিছে। *জোনাকী*ৰ জন্মই অসমীয়া সাহিত্যলৈ অনা ৰমন্যাসিক চেতনাৰে বিটোত লেখকসকলৰ সাহিত্য 'ৰমন্যাসৰ যুগ'ৰ অন্তর্গত। ভাৰতৰ লগতে অসমৰ সমাজ জীৱনৰ গুৰুত্বপূর্ণ ঘটনা স্বাধীনতাক তেওঁ সাহিত্যৰো কালান্তৰৰ চিন হিচাপে ব্যৱহাৰ কৰি বর্তমান যুগৰ ৰমন্যাসৰ পৰৱর্তী সময়ক 'উত্তৰ স্বাধীনতাকালৰ

সাহিত্য' নাম দিছে। অসমীয়া সাহিত্যলৈ অহা আধুনিক ভাবনাৰে পুষ্ট সাহিত্যসমূহ এই সময়ৰ অন্তর্গত।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ অসমীয়া সাহিত্যৰ প্রথম যুগবিভাজন কোনে কৰিছিল?

.....

প্রশ্ন নং ২ ঃ সত্যেন্দ্রনাথ শর্মাই অসমীয়া সাহিত্যৰ ইতিহাসক কেইটা যুগত বিভাজন কৰিছে?

.....

২.৩.৬ মহেশ্বৰ নেওগৰ বিভাজন

অসমীয়া সাহিত্যৰ একনিষ্ঠ গৱেষক মহেশ্বৰ নেওগে অসমীয়া সাহিত্যৰ ইতিহাস অন্বেষণ কৰিবলৈ গৈ কৈছে যে—"অসমীয়া সাহিত্যৰ যুগবিভাগ লৈ পণ্ডিতসকলে নিজৰ নিজৰ মত প্রকাশ কৰিছে। আমিও নিজৰ পথ বিচাৰি ল'বলগীয়া হৈছে।" নেওগে এই প্রসংগত আন এটা কথাও উল্লেখ কৰিছে যে ইতিমধ্যে যিসকলে অসমীয়া সাহিত্যৰ ইতিহাস ৰচনা কৰিছে সেই কেউখনৰে বিচাৰ-ধাৰা সুকীয়া। অর্থাৎ নেওগেও নিজস্ব চিন্তাৰে অসমীয়া সাহিত্যৰ গতিপথৰ স্তৰ বিভাগ কৰিছে। ১৯৬২ চনত প্রথম প্রকাশ হোৱা তেওঁৰ *অসমীয়া সাহিত্যৰ ৰূপৰেখা* নামৰ অসমীয়া সাহিত্যৰ বুৰঞ্জীখনৰ আৰম্ভণিতে অসমীয়া ভাষাৰ উদ্ভৱৰ আলোচনা কৰি তেখেতে কৈছে যে "সম্ভৱতঃ ১০০০ খ্রীষ্টাব্দৰ ওচৰা-উচৰি সময়ত আন নব্য ভাৰতীয়-আর্য ভাষাৰ লগে লগে অসমীয়া ভাষাৰো উৎপত্তি ঘটে।... ...চতুর্দশ শতিকাৰপৰা অসমীয়া সাহিত্যৰ মুক্ত অবাৰিত ধাৰা ব'বলৈ আৰম্ভ কৰে। ইয়াৰ আগতে অসমীয়া ভাষাৰ পৰিষ্কাৰ ৰূপৰ নিদর্শন পোৱা নাযায়।"লোকগীত আৰু লোককথাসমূহৰ যিহেতু ৰচনাৰ সময় স্পষ্ট নহয় সেয়েহে *অসমীয়া সাহিত্যৰ ৰূপৰেখাৰ* আৰম্ভণিতে ইয়াৰ আলোচনা কৰিছে যদিও মহেশ্বৰ নেওগে এইসমূহক অসমীয়া সাহিত্যৰ যুগবিভাজনৰ পৰিসীমাৰ বাহিৰত ৰাখিছে। অসমীয়া সাহিত্যৰ যুগবিভাগ তেখেতে এনেদৰে দেখুৱাইছে—

১) বৌদ্ধ যুগ
২) প্রাক্‌শঙ্কৰ যুগ(ত্রয়োদশ, চতুর্দশ আৰু পঞ্চদশ শতিকা)
৩) শঙ্কৰী যুগ(শঙ্কৰদেৱৰ পৰা ভট্টদেৱলৈকে)
৪) শঙ্কৰোত্তৰ যুগ (ভট্টদেৱ, গোপালচৰণ আদিৰ পিছৰপৰা ঊনবিংশ শতিকাৰ প্রথম চতুর্থাংশলৈ)
    ক) সত্রীয়া সাহিত্য

খ) ৰাজধানীৰ সাহিত্য

গ) অনিশ্চিত স্থানৰ লেখকৰ সাহিত্য

৫) আধুনিক যুগ ঃ

ক) আদি-ব্রিটিশ যুগ (১৮২৬ চনৰ পিছৰ পৰা অসমীয়া ভাষা পুনঃপ্রতিষ্ঠাৰ আগলৈকে)

খ) হেমচন্দ্র বৰুৱাৰ কাল (১৮৭৩ চনত অসমীয়া ভাষাই পুনঃপ্রতিষ্ঠা লাভ কৰাৰ পৰা অ.ভা.উ.সা. সভাৰ প্রতিষ্ঠালৈকে)

গ) ৰোমাণ্টিক যুগ বা বেজবৰুৱা যুগ (*জোনাকী* প্রকাশৰ পৰা দ্বিতীয় মহাসমৰলৈকে)

ঘ) বর্তমান সাহিত্য (দ্বিতীয় মহাসমৰে প্রভাৱ বিস্তাৰ কৰা সময়ৰে পৰা বর্তমান কাল আৰম্ভ)

চর্যাপদসমূহক নেওগে 'বৌদ্ধ যুগ'ৰ অন্তর্ভুক্ত কৰিছে যদিও এইসমূহযে বিশুদ্ধ বা এককভাৱে অসমীয়াৰ নিদর্শন নহয় সেয়া উল্লেখ কৰিছে। অষ্টমৰ পৰা দ্বাদশ শতিকালৈকে বিস্তৃত চর্যাগীতৰ পিছতে অসমীয়া সাহিত্যত এছোৱা শূন্য কাল বিৰাজ কৰিছিল বুলি তেওঁ উল্লেখ কৰিছে।

শঙ্কৰদেৱৰ সাহিত্যিক উদ্ভৱৰ আগৰ সময়ছোৱাক নেওগে 'প্রাক্-শঙ্কৰ যুগ' হিচাপে অভিহিত কৰিছে। পূর্বসূৰীসকলে এই সময়ছোৱাক 'বৈষ্ণৱ যুগ' বোলা কথাযাৰ তেওঁ সমর্থন নকৰে। "এইসকলক প্রাগ্বৈষ্ণৱ নোবোলোঁ, কাৰণ সিসকলে বৈষ্ণৱৰ সমাদৃত সাহিত্যকে ৰচনা কৰিলে।"

শঙ্কৰী যুগটো অসমীয়া সাহিত্যৰ সোণালী যুগ। নেওগৰ ভাষাত "এই সময়তে নৱবৈষ্ণৱসকলে তেওঁলোকৰ শ্রেষ্ঠ সাহিত্য সৃষ্টি কৰিলে।" শঙ্কৰদেৱ, মাধৱদেৱকে মুখ্য কৰি তেখেতসকলৰ অনুগামী সাহিত্যিকসকলৰ উৎকৃষ্ট আৰু বিশাল সাহিত্য সম্ভাৰে এই সময়তে অসমীয়া সাহিত্যৰ ৰৰভঁৰাল বান্ধিলে। এই শঙ্কৰী যুগতে সাহিত্য চর্চা কৰা পাঁচালী শাখাৰ কবিসকলৰ সাহিত্যৰ ধাৰা কিন্তু সুকীয়া। কালৰ হিচাপতহে তেওঁলোক শঙ্কৰী যুগৰ ভিতৰত পৰে। তেওঁলোকৰ সাহিত্য বৈষ্ণৱ ধর্মৰ প্রেৰণাসম্ভূত নহয়।

শঙ্কৰোত্তৰ যুগৰ অসমীয়া সাহিত্যক মহেশ্বৰ নেওগে তিনিটা উপভাগত ভাগ কৰিছে। "শঙ্কৰদেৱৰ যুগটো এৰাৰ পিছতে ঐতিহাসিকসকল অলপ বিমোৰত পৰে। এই বিমোৰ ভাব এৰাই চলাৰ যত্নত আমি শঙ্কৰোত্তৰ যুগক সাহিত্যিক কেন্দ্রৰ বিচাৰত ভাগ কৰি লৈ অধ্যয়ন কৰিবলৈ লৈছো, আৰু কেন্দ্র নির্ণপিত কৰিব নোৱাৰাসকলৰ বিষয়ে সুকীয়াকৈ আলোচনা কৰিছো।" গতিকে সাহিত্য ৰচনাৰ কেন্দ্রৰ ভিত্তিতে নেওগে এই যুগৰ সাহিত্যক তিনিটা উপবিভাগত অন্তর্ভুক্ত কৰিছে। নৱবৈষ্ণৱ ধর্মৰ পূর্বপ্রচলিত প্রেৰণাৰ শক্তিশালী প্রৱাহ সত্রত তেতিয়াও বিদ্যমান

আছিল। সেয়েহে মৌলিকত্ববিহীন হ'লেও বৈষ্ণৱ আদর্শপুষ্ট নাট-গীত আদি সত্রত যথেষ্ট ৰচিত হৈছিল। এই সাহিত্যসমূহ আৰু চৰিত সাহিত্য এই যুগৰ তিনিটা প্রধান ভাগৰ অন্যতম 'সত্রীয়া সাহিত্য'ৰ অন্তর্গত। আহোম ৰজাঘৰৰ পোনপটীয়া তত্ত্বাৱধানত ৰচিত বিশাল বুৰঞ্জী সাহিত্যই এই যুগৰ আন এটা শক্তিশালী শাখাৰ প্রতিনিধিত্ব কৰিছে। আনহাতে সত্র আৰু আহোম ৰাজধানী—এই দুই প্রধান কেন্দ্রৰ বাহিৰত ৰচিত সাহিত্যক তেওঁ যুগটোৰ তৃতীয়টো ভাগ হিচাপে দেখুৱাব বিচাৰিছে। প্রথম প্রকাশিত অসমীয়া বাইবেলকো তেওঁ এই যুগৰে শেষৰ ফালে অন্তর্ভুক্ত কৰিব বিচাৰে। অসমীয়া সাহিত্যৰ আধুনিক যুগৰ সূচনাৰ কালছোৱা খেলি-মেলিৰ সময়। ইয়াণ্ডাবু সন্ধিৰ জৰিয়তে বৃটিছে অসম অধিকাৰ কৰাৰ পিছতে অসমীয়া ভাষাৰ দুর্যোগ আৰম্ভ হ'ল। আনুষ্ঠানিক ক্ষেত্র সমূহৰ পৰা অসমীয়া ভাষা অপসাৰিত হোৱাৰ লগে লগে এটা সন্দেহ, সংশয়ৰ পৰিবেশে বিৰাজ কৰিবলৈ ল'লে। এচামে অসমীয়া ভাষাৰ হৃত মর্যাদা উদ্ধাৰ আৰু ভাষাটোৰ পুনঃপ্রতিষ্ঠাৰ বাবে যত্ন কৰিলে। এচামে আকৌ বাংলাতে বা আধা ভগা অসমীয়াত কিতাপ লিখিবলৈ ল'লে। এই সময়খিনিক মহেশ্বৰ নেওগে "নতুন অসমীয়া ভাষাৰ অনুশীলন কাল, নতুন প্রভাৱ আহৰণৰ কাল" আখ্যা দিছে। আনন্দৰাম ঢেকিয়াল ফুকন আৰু বেপ্টিষ্ট মিছনেৰীৰ সাহিত্য এই যুগৰ অন্তর্গত।

অনেক প্রচেষ্টাৰ অন্তত অসমীয়া ভাষাই অসমত পুনঃপ্রতিষ্ঠা লাভ কৰা ঘটনাক নেওগে অসমীয়া সাহিত্যৰ আধুনিক যুগৰ দ্বিতীয় স্তৰটোৰ মাইলস্তম্ভ হিচাপে দেখুৱাইছে। তেতিয়াৰে পৰা অঃ ভাঃ উঃ সাঃ-ৰ জন্ম আৰু *জোনাকী* প্রকাশলৈকে এই সময়ছোৱাত হেমচন্দ্র বৰুৱা, গুণাভিৰাম বৰুৱা আদিয়ে অসমীয়া ভাষাৰ বিভিন্ন সাহিত্যৰূপৰ সৃষ্টি কৰে। নেওগে এই সময়ছোৱাক 'হেমচন্দ্র বৰুৱাৰ কাল' নাম দি যুগটোৰ মধ্যমণি হিচাপে তেওঁক উপস্থাপন কৰিছে। অসমীয়া ভাষাৰ মূলানুগ বিশুদ্ধ ৰূপ প্রতিষ্ঠাৰ বাবে হেমচন্দ্র বৰুৱাই অহোপুৰুষার্থ কৰি ইয়াৰ ভেটি বন্ধাৰ যুক্তিতে নেওগে এই যুগটোক তেওঁৰ নামেৰে নামাংকিত কৰিছে।

১৮৮৯ চনত *জোনাকী* প্রকাশৰ লগে লগে অসমীয়া সাহিত্যৰ নৱজাগৰণ আৰম্ভ হয়। লক্ষীনাথ বেজবৰুৱাৰ ব্যক্তিত্ব আৰু সাহিত্যই সমগ্র অসমীয়া সাহিত্যক বাট দিয়াৰ উপৰি বিভূতি-বৈভৱ সকলো প্রদান কৰিলে। কবিতা, গল্প, উপন্যাস, নাটক আদি সকলোৰূপৰ সাহিত্যৰে পৰিপুষ্ট এইছোৱা সময় অসমীয়া সাহিত্যৰ "ৰোমাণ্টিক যুগ বা বেজবৰুৱা যুগ"। প্রকৃতার্থত লক্ষ্মীনাথ বেজবৰুৱা ৰোমাণ্টিক যুগৰ মূল প্রেৰণা আৰু ঘাই চালিকাশক্তি। বেজবৰুৱাৰ সাহিত্যিক সত্তাই সমগ্র যুগটোক আৱৰি ৰখা বাবেই নেওগে এই যুগটোক এনেদৰে অভিহিত কৰিছে।

অসমীয়া সাহিত্যৰ ৰোমাণ্টিক প্রৱাহটো সজোৰে প্রৱাহিত হৈ আহি দ্বিতীয় মহাসমৰলৈকে চলে। কিন্তু মহাসমৰে অসমৰ সমাজজীৱন বিধ্বস্ত কৰাৰ পিছত

সাহিত্যচর্চাৰ পৰিবেশ আৰু ব্যক্তিমন দুয়োটাই ইয়াৰ দ্বাৰা প্রভাৱিত হয়। অসমীয়া সাহিত্যই এইখিনি সময়ৰ পৰাই স্পষ্টভাৱে পৃথক ৰূপ পৰিগ্রহ কৰে। মহেশ্বৰ নেওগে অসমীয়া সাহিত্যৰ আধুনিক যুগৰ এই সমছোৱাক চতুর্থ স্তৰ হিচাপে দেখুৱাই 'বর্তমান সাহিত্য' নাম দিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ মহেশ্বৰ নেওগে সাহিত্যৰ যুগবিভাজন কৰা সম্পর্কে নিজে কি মত পোষণ কৰিছিল?

.....



জানি থোৱা ভাল

'শঙ্কৰোত্তৰ যুগ'ৰ সাহিত্য বুলিলে শঙ্কৰদেৱৰ পৰৱর্তী সময়ত সত্রত ৰচিত নাট, গীত, চৰিত সাহিত্য, ৰজাঘৰত ৰচিত বুৰঞ্জী সাহিত্য, অন্যান্য স্থানত ৰচিত ব্যৱহাৰিক সাহিত্য, চুফীমূলক সাহিত্য, ৰামায়ণী সাহিত্য আদিক বুজা যায়।

২.৩.৭ হেমন্ত কুমাৰ শর্মাৰ বিভাজন

অসমীয়া সাহিত্যৰ আন এজন সাধক হেমন্ত কুমাৰ শর্মাই *অসমীয়া সাহিত্যত দৃষ্টিপাত* গ্রন্থত অসমীয়া সাহিত্যক স্থূলভাৱে দুটা সাধাৰণ ভাগত ভাগ কৰিছে—

ক) প্রাচীন

খ) আধুনিক

কিন্তু বিতংভাৱে তেওঁ অসমীয়া সাহিত্যৰ যুগবিভাগ এনেদৰে কৰিছে—

১) আদি যুগ (দশম শতিকাৰ পৰা চৈধ্যশ শতিকালৈ)

২) প্রাক্ শংকৰী যুগ (চৈধ্যশ শতিকাৰ পৰা পোন্ধৰশ শতিকাৰ শেষভাগলৈ)

৩) শংকৰী যুগ (পোন্ধৰশ শতিকাৰ শেষ ভাগৰপৰা সোতৰশ শতিকাৰ শেষলৈ)

৪) উত্তৰ শংকৰী যুগ (সোতৰশ শতিকাৰ শেষ ভাগৰপৰা ঊনৈশ শতিকাৰ আদি ভাগলৈ)

৫) আধুনিক যুগ (ঊনৈশশ শতিকাৰ আদি ভাগৰপৰা বর্তমান সময়লৈকে)

ক) প্রাক্ ৰোমাণ্টিক যুগ (১৮৩৬—১৮৮৯)

খ) ৰোমাণ্টিক যুগ (১৮৮৯—১৯৩৯)

গ) উত্তৰ ৰোমাণ্টিক বা সাম্প্রতিক যুগ (১৯৩৯ খ্রীষ্টাব্দৰ পৰা বর্তমানলৈ)

আদি যুগৰ একমাত্ৰ সাহিত্যিক নিদৰ্শন হিচাপে শৰ্মাই চৰ্যাপদৰ কথা উল্লেখ কৰিছে। শঙ্কৰদেৱৰ সাহিত্যিক অভ্যুত্থানৰ পূৰ্বৰ সময়ছোৱাক প্ৰাক্‌বৈষ্ণৱ যুগ বোলাৰ তেওঁ পক্ষপাতী নহয়। তেওঁৰ মতে "এই যুগৰ কবিসকলেও শংকৰদেৱ, মাধৱদেৱ আদিৰ দৰে বৈষ্ণৱৰ আদৰণীয় গ্ৰন্থকেই ৰচনা কৰিছে। বৈষ্ণৱ ভাবৰ উগ্ৰতা নাথাকিলেও গ্ৰন্থসমূহৰ বিষয়বস্তু বৈষ্ণৱ সাহিত্যৰপৰা পৃথক নহয়।"

শংকৰদেৱৰ সাহিত্যিক নেতৃত্বৰ সময়ছোৱাক তেওঁ যুগটোৰ কেন্দ্ৰস্থ ব্যক্তি শংকৰদেৱৰ নামেৰেই 'শংকৰী যুগ' বুলি ক'ব বিচাৰিছে। তেওঁ কৈছে যে এই সময়ছোৱাত বৈষ্ণৱ প্ৰভাৱৰপৰা মুক্ত হৈ পাঁচালী কবিকেইজনে সাহিত্য সৃষ্টি কৰিছিল। তদুপৰি বৈষ্ণৱ আদৰ্শ শংকৰপূৰ্ব আৰু শঙ্কৰোত্তৰ সময়ৰ সাহিত্যতো যিহেতু বিদ্যমান সেয়েহে "এই যুগটোক বৈষ্ণৱ যুগ নোবোলাই ভাল"। শঙ্কৰদেৱ-মাধৱদেৱকে মুখ্য কৰি ৰাম সৰস্বতী, অনন্ত কন্দলীৰপৰা ভট্টদেৱলৈকে তেওঁ এই সময়ৰ ভিতৰত সামৰিব বিচাৰিছে।

আহোম ৰাজশাসন আৰু কোচ ৰজাৰ প্ৰেৰণাত সৃষ্ট সাহিত্য, চৰিত সাহিত্য, পদপুথি, নাট, গীত, ইছলামী সাহিত্যক তেওঁ উত্তৰ শঙ্কৰী যুগত অন্তৰ্ভুক্ত কৰিছে। ইংৰাজে অসম অধিকাৰ কৰাৰ পিছত অসমৰ সাহিত্য আৰু শিক্ষাৰ জগতত পাশ্চাত্য প্ৰভাৱ পৰে। বিষয়বস্তু আৰু ৰচনাৰীতি সকলোতে অসমীয়া সাহিত্যই পূৰ্বৰ ৰীতিৰ পৰা সম্পূৰ্ণ আঁতৰি আহি সুকীয়া পথ ল'লে। আধুনিক সাহিত্যৰ আৰম্ভণিৰ এই সময়ছোৱা "অসমীয়া সাহিত্যৰ এন্ধাৰ আৰু পুনঃ প্ৰাণ প্ৰতিষ্ঠা কৰাৰ যুগ"। খ্ৰীষ্টান লেখকসকল, আনন্দৰাম ঢেকিয়াল ফুকন, হেমচন্দ্ৰ বৰুৱা সকলোকে তেওঁ এই যুগত অন্তৰ্ভুক্ত কৰিছে।

লক্ষ্মীনাথ বেজবৰুৱাৰ নেতৃত্বত গঢ় লোৱা সাহিত্যিক জাগৰণটো তেওঁ 'ৰোমাণ্টিক যুগ' বুলি কোৱাৰ লগতে মহেশ্বৰ নেওগে কোৱা 'বেজবৰুৱাৰ যুগ' অভিধাটোও যথাৰ্থ বুলি উল্লেখ কৰিছে।

১৯৩৯ চনৰ পিছৰ যুগৰ অসমীয়া সাহিত্যত দেশত উদ্ভৱ হোৱা কিছুমান সুকীয়া সমস্যাভিত্তিক চিন্তাৰ প্ৰতিফলন ঘটে। বিষয়বস্তু আৰু ৰচনাৰীতি দুয়োটাতে নতুনত্বৰ সূচনা হোৱা এই সময়ছোৱাক তেওঁ 'উত্তৰ ৰোমাণ্টিক যুগ', 'সাম্প্ৰতিক যুগ' বা 'স্বৰাজোত্তৰ যুগ' বুলি অভিহিত কৰিছে।

২.৩.৮ আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থাৰ সাহিত্যৰ বুৰঞ্জীৰ খণ্ডবিভাজন

অসমৰ অন্যতম ভাষা-সাহিত্য অধ্যয়নৰ অনুষ্ঠান আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থাৰ ফালৰ পৰা অসমীয়া সাহিত্যৰ এখন "বহল বুৰঞ্জী" প্ৰণয়নৰ

আঁচনি হাতত লৈছিল। তেওঁলোকে প্ৰকাশ কৰা ষষ্ঠ খণ্ডত সাধাৰণ সম্পাদক প্ৰফুল্লদত্ত গোস্বামীৰ এটা ভূমিকা সন্নিৱিষ্ট হৈছে। এই ভূমিকাত তেওঁ কৈছে যে আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থাই হাতত লোৱা বিস্তৃত ইতিহাসখন আলোচনা-বিলোচনা কৰি আমি ছ-টা খণ্ডত ভাগ কৰিছোঁ এইদৰে —

১) প্ৰথম খণ্ড— আৰম্ভণিৰ পৰা খৃঃ ১৪৭০লৈ, অৰ্থাৎ শঙ্কৰী যুগৰ আগমনলৈ

২) দ্বিতীয় খণ্ড— খৃঃ ১৪৭০ ৰ পৰা খৃঃ ১৬৩০লৈ, অৰ্থাৎ ভট্টদেৱ, আৰু ৰাম সৰস্বতীলৈ

৩) তৃতীয় খণ্ড— খৃঃ ১৬৩০ ৰ পৰা খৃঃ ১৮১৩ লৈ, অৰ্থাৎ শঙ্কৰী যুগৰ শেষৰ পৰা আত্মাৰাম শৰ্মাৰ বাইবেলৰ অনুবাদ প্ৰকাশলৈ

৪) চতুৰ্থ খণ্ড— খৃঃ ১৮১৩ ৰ পৰা খৃঃ ১৮৮৯ লৈ, অৰ্থাৎ জোনাকী যুগৰ আৰম্ভণিলৈ

৫) পঞ্চম খণ্ড—খৃঃ ১৮৮৯ ৰ পৰা খৃঃ ১৯৩৯ লৈ, অৰ্থাৎ লক্ষ্মীনাথ বেজবৰুৱা, চন্দ্ৰকুমাৰ আগৰৱালা আদিৰ মৃত্যু আৰু দ্বিতীয় মহাসমৰৰ আৰম্ভণিলৈ

৬) ষষ্ঠ খণ্ড— ১৯৩৯ ৰ পৰা বৰ্তমানলৈ



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থাৰ ফালৰ পৰা প্ৰণয়ন কৰি থকা অসমীয়া সাহিত্যৰ বুৰঞ্জীখন তেওঁলোকে কেইটা ভাগত বিভাজন কৰিছে?

.....

২.৪ অসমীয়া সাহিত্যৰ যুগ বিভাজনৰ সামগ্ৰিক আলোচনা

অসমীয়া সাহিত্যৰ যুগবিভাজনৰ যিসমূহ চিত্ৰ ওপৰত দেখুওৱা হ'ল তাৰ পৰা এটা কথা স্পষ্ট হয় যে অসমীয়া সাহিত্যৰ যিদৰে এক দীঘল গতিপথ আছে সেইদৰে অসমীয়া সাহিত্যৰ ইতিহাস চৰ্চাৰো সুদীৰ্ঘ পৰম্পৰা আছে। অসমীয়া সাহিত্যৰ প্ৰথম যুগবিভাজন কৰোঁতা হেমচন্দ্ৰ গোস্বামীৰ 'অসমীয়া ভাষা' শীৰ্ষক যিসমূহ ধাৰাবাহিক লেখা *জোনাকীত* প্ৰকাশ পাইছিল তাত তেওঁ দেখুওৱা তিনিওটা পৰ্বৰে বিস্তৃত আলোচনাও দাঙি ধৰিছে। তেওঁৰ এই যুগবিভাজনে অসমীয়া সমাজৰো পৰ্বান্তৰৰ আভাস স্পষ্ট কৰিছে। পৰৱৰ্তী সময়ত সাহিত্যৰ ইতিহাস ৰচনা কৰাসকলৰ বাবে গোস্বামীৰ এই বিভাজনে এটা স্পষ্ট পথনিৰ্দেশনা হিচাপে যে কাম কৰিছে সেয়া নিশ্চিত। কিন্তু তেওঁ অসমীয়া সাহিত্যৰ প্ৰথম যুগটো "গীতি যুগ" নাম

দি খ্ৰীষ্টীয় ৬০০ৰ পৰা তাক আৰম্ভ কৰিব বিচৰা কাৰ্যই উত্তৰসূৰী ইতিহাসকাৰৰ সমৰ্থন লাভ কৰা নাই। কাৰণ অসমীয়া ভাষাৰ স্পষ্ট উদ্ভৱৰ সময় নৱম-দশম শতিকাতকৈ আগৰেপৰা গীতিযুগৰ আৰম্ভণিৰ কথাটো অযুক্তিকৰ। তেওঁ দেখুওৱা প্ৰাক্-বৈষ্ণৱ যুগৰে পৰা পৰৱৰ্তী যুগৰ সময়সীমা বা সেইযুগৰ সাহিত্যিক লৈ অধিক বিতৰ্কৰ থল নাই। এইসমূহৰ সময়ৰ কিছু সালসলনি ইতিহাসকাৰসকলে অৱশ্যে কৰিছে। বৈষ্ণৱ যুগৰ পাছৰ সময়ছোৱাক তেওঁ 'বিস্তাৰ যুগ' আখ্যা দিয়াটোও তাৎপৰ্যপূৰ্ণ। গোস্বামীয়ে কোৱাৰ দৰে পৰৱৰ্তী ডিম্বেশ্বৰ নেওগেও শঙ্কৰদেৱৰ পূৰ্বৰ আৰু শঙ্কৰদেৱৰ সময়ছোৱাক ক্ৰমে প্ৰাক্-বৈষ্ণৱ আৰু বৈষ্ণৱ যুগ আখ্যা দিছে। কিন্তু আন ইতিহাসকাৰসকলে ইয়াক যথোচিত বুলি ভবা নাই। তেওঁলোকে এই যুগ দুটাক ক্ৰমে প্ৰাক্-শঙ্কৰী আৰু শঙ্কৰী যুগ আখ্যা দিয়া কথাটো যথেষ্ট যুক্তিসন্মত। এইক্ষেত্ৰত মহেশ্বৰ নেওগ, হেমন্ত কুমাৰ শৰ্মা আদিয়ে আগবঢ়োৱা যিসমূহ মন্তব্য ওপৰত উল্লেখ কৰি অহা হৈছে সেইসমূহ তাৎপৰ্যপূৰ্ণ। অৱশ্যে পূৰ্বসূৰী দেবেন্দ্ৰনাথ বেজবৰুৱাই শঙ্কৰদেৱৰ সময়ক এইসকলতকৈ আগতেই 'শঙ্কৰী যুগ' বা 'উন্নতিৰ যুগ' নাম দি যুগটোৰ যথোচিত মূল্যায়ন কৰিবলৈ সমৰ্থ হৈছে। মহেশ্বৰ নেওগ আৰু হেমন্ত কুমাৰ শৰ্মা দুয়োজনেই প্ৰধানভাৱে পাঁচটা যুগত সাহিত্যৰ ইতিহাসক ভাগ কৰিছে। এওঁলোকৰ যুগবিভাজনৰ মাজত যিসমূহ পাৰ্থক্য দেখা যায় সেয়া সময়কেন্দ্ৰিক। আনহাতে সত্যেন্দ্ৰনাথ শৰ্মাই আদি যুগ, মধ্য যুগ, বৰ্তমান যুগ বুলি বহলভাৱে তিনিটা যুগ কৰি আনসমূহক উপবিভাগ হিচাপে ইয়াৰ মাজতহে দেখুৱাইছে। প্ৰথম যুগটোক নেওগে 'বৌদ্ধ যুগ' বুলি কোৱাৰ বিপৰীতে সত্যেন্দ্ৰনাথ শৰ্মা আৰু হেমন্ত কুমাৰ শৰ্মাই 'আদি যুগ' আখ্যা দিছে। সেইদৰে আধুনিক যুগটোক নেওগে চাৰিটা স্তৰত বিভক্ত কৰি *জোনাকী*ৰ পূৰ্বৰ সময়ক দুটা ভাগত দেখুৱাইছে। অসমীয়া ভাষা আনুষ্ঠানিক ক্ষেত্ৰৰ পৰা অপসাৰণ আৰু পুনঃপ্ৰতিষ্ঠা — এই দুয়োটা পৰিঘটনাক দুটা সুকীয়া স্তৰৰ চিহ্ন হিচাপে ৰাখিয়েই তেওঁ প্ৰকৃততে এই বিভাজন কৰিছে। সত্যেন্দ্ৰনাথ শৰ্মাৰো দৃষ্টিভংগী এইক্ষেত্ৰত তেওঁৰ সৈতে একে। নেওগৰ 'আদি ব্ৰিটিশ যুগ' আৰু 'হেমচন্দ্ৰ বৰুৱাৰ কাল' শৰ্মাৰ বিভাজনৰ 'প্ৰাক্-অৰুণোদয়' আৰু 'হেমচন্দ্ৰ গুণাভিৰামৰ অভ্যুদয়' একে কথা। আনহাতে এই দুয়োটা সামৰি হেমন্ত কুমাৰ শৰ্মাই 'প্ৰাক্-ৰোমাণ্টিক যুগ' আখ্যা দিছে। ৰোমাণ্টিক যুগৰ পৰৱৰ্তী সময়ক মহেশ্বৰ নেওগে 'বৰ্তমান সাহিত্য', সত্যেন্দ্ৰনাথ শৰ্মাই 'উত্তৰ স্বাধীনতাকালৰ সাহিত্য', হেমন্ত কুমাৰ শৰ্মাই 'স্বৰাজোত্তৰ যুগ বা উত্তৰ ৰোমাণ্টিক যুগ' আদি নাম দিছে যদিও মূল কথাত কোনো পাৰ্থক্য নাই। আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থাৰ সাহিত্যৰ বুৰঞ্জীৰ প্ৰকল্পৰ খণ্ডবিভাজনত আধুনিক ইতিহাসকাৰকেইজন, বিশেষকৈ নেওগৰ যুগবিভাজনৰে প্ৰতিফলন ঘটিছে। ইয়াত শঙ্কৰ পূৰ্ব দীঘলীয়া এছোৱা সময়ক কেৱল মাত্ৰ একেটা খণ্ডত অন্তৰ্ভুক্ত কৰিছে। তদুপৰি আধুনিক যুগৰ আৰম্ভণিৰ পৰা *জোনাকী* প্ৰকাশৰ আৰম্ভণিলৈ এটা খণ্ড হিচাপে হেমন্ত কুমাৰ শৰ্মাৰ বিভাজনত থকাৰ দৰে দেখা পোৱা গৈছে। গতিকে দেখা গৈছে যে অসমীয়া সাহিত্যৰ যুগবিভাজনৰ দৰে কঠিন কামৰ দুৱাৰ মুকলি কৰোঁতা হিচাপে হেমচন্দ্ৰ গোস্বামীৰ বিভাজনৰ এক ঐতিহাসিক মূল্য কোনেও অস্বীকাৰ কৰিব নোৱাৰে। তেওঁৰ সেই

অধ্যয়নৰ ভেটিতেই পৰৱৰ্তী অধ্যয়নসমূহ গঢ় লৈছে। অসমীয়া সাহিত্যৰ বুৰঞ্জী ৰচনাৰ পথ-প্রদর্শক দেবেন্দ্রনাথ বেজবৰুৱা, ডিম্বেশ্বৰ নেওগৰ ক্ষেত্রতো একে কথা প্রযোজ্য। প্রকৃতার্থত এওঁলোক তিনিওজনৰ কার্যই পৰৱৰ্তী সময়ৰ অধ্যয়নসমূহ অধিক প্রসাৰিত, অধিক প্রণালীবদ্ধ আৰু বিজ্ঞানসন্মত কৰাৰ সুবিধা কৰি দিলে। সেইবাবেই *অসমীয়া সাহিত্যৰ ৰূপৰেখাত* যি এক যুগবিভাজনৰ ৰূপৰেখা পোৱা গ'ল তাৰ পাছতো আৰু গৱেষণাৰ বাট মুকলি আছে যদিও সেই বিভাজনে অসমীয়া সাহিত্যৰ গতি, প্রকৃতি আৰু স্তৰসমূহ যথেষ্ট সঠিকভাৱে দেখুৱাবলৈ সমর্থ হৈছে বুলি ক'ব পাৰি।



চিন্তা-চর্চা কৰক — ২.১

অসমীয়া সাহিত্যৰ যুগবিভাজন সম্পর্কে আগবঢ়োৱা অভিমতসমূহ বিশ্লেষণ কৰি আপুনি নিজেও নিজৰ ধৰণে অসমীয়া সাহিত্যৰ যুগবিভাজনৰ ৰূপৰেখা এটি তৈয়াৰ কৰিবলৈ যত্ন কৰক।

.....

.....

.....

.....

.....

.....

.....



২.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অসমীয়া সাহিত্যৰ গতিপথ আৰু বিভিন্ন স্তৰসমূহৰ ধাৰণা লাভ কৰিলে।
- অসমীয়া সাহিত্যৰ ইতিহাস ৰচনাৰ পৰম্পৰা কেনেধৰণৰ আৰু ইয়াত কোন কোন ব্যক্তিৰ অৱদান আছে সেয়া স্পষ্ট হ'ল।
- অসমীয়া সাহিত্যৰ যুগবিভাজনৰ ক্ষেত্রত ইতিহাস ৰচোঁতাসকলৰ মাজত থকা দৃষ্টিভংগীৰ পার্থক্য আৰু সাদৃশ্য প্রতীয়মান হ'ল।
- অসমীয়া সাহিত্যৰ কোনটো যুগত কোনসমূহ সাহিত্য অন্তর্ভুক্ত সেয়া জানিব পাৰিলে।



২.৬ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) নেওগ, ডিম্বেশ্বৰ (১৯৯৬); *নতুন পোহৰত অসমীয়া সাহিত্যৰ বুৰঞ্জী;* গুৱাহাটী ঃ শুৱনি প্ৰকাশন।

২) নেওগ, মহেশ্বৰ (১৯৮৭); *অসমীয়া সাহিত্যৰ ৰূপৰেখা;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৩) বেজবৰুৱা, দেবেন্দ্ৰনাথ (১৮৫৫ শক); *অসমীয়া ভাষা আৰু সাহিত্যৰ বুৰঞ্জী;* দেবেন্দ্ৰনাথ বেজবৰুৱা।

৪) বৰা, প্ৰফুল্ল চন্দ্ৰ (সম্পাঃ) (২০০৭); *ঐতিহ্য ঃ অসমীয়া সাহিত্য;* যোৰহাট ঃ হেৰিটেজ আছাম।

৫) বৰগোহাঞি, হোমেন (সম্পাঃ) (২০১২); *অসমীয়া সাহিত্যৰ বুৰঞ্জী(ষষ্ঠ খণ্ড);* গুৱাহাটী ঃ আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা।

৬) শৰ্মা, সত্যেন্দ্ৰনাথ (২০০৪); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;* গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ।

৭) শৰ্মা, হেমন্ত কুমাৰ (১৯৯৭); *অসমীয়া সাহিত্যত দৃষ্টিপাত;* গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

৮) শইকীয়া, নগেন (সম্পাঃ) (২০০১); *জোনাকী একত্ৰ সংকলন;* যোৰহাট ঃ অসম সাহিত্য সভা।

৯) হাজৰিকা, বিশ্বেশ্বৰ (সম্পাঃ) (২০০৩); *অসমীয়া সাহিত্যৰ বুৰঞ্জী (প্ৰথম খণ্ড);* গুৱাহাটী ঃ আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা।

ইংৰাজী গ্ৰন্থ ঃ

১০) Kakati, B. (1995). *Assamese: Its Formation and Development.* Guwahati: Lawyer's Book Stall.



২.৭ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ হেমচন্দ্ৰ গোস্বামীয়ে।

২ নং প্ৰশ্নৰ উত্তৰ ঃ সত্যেন্দ্ৰনাথ শৰ্মাই অসমীয়া সাহিত্যৰ ইতিহাস ৰচনা কৰিবলৈ গৈ সাহিত্যৰ

বুৰঞ্জীক প্ৰধানভাৱে তিনিটা যুগত ভগাইছে।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ "অসমীয়া সাহিত্যৰ যুগবিভাগ লৈ পণ্ডিতসকলে নিজৰ নিজৰ মত প্ৰকাশ কৰিছে। আমিও নিজৰ পথ বিচাৰি ল'বলগীয়া হৈছে।"

৪ নং প্ৰশ্নৰ উত্তৰ ঃ ৬ টা ভাগত।



২.৮ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ অসমীয়া সাহিত্যৰ 'বৌদ্ধ যুগ' বুলিলে কোনখিনি সময়ক বুজা যায়?

প্ৰশ্ন ২ ঃ বৌদ্ধ যুগৰ সাহিত্যিক নিদৰ্শনসমূহ কি কি?

প্ৰশ্ন ৩ ঃঅসমীয়া সাহিত্যৰ 'বিস্তাৰ আৰু অৱসাদৰ কাল' বুলিলে কোনখিনি সময়ক বুজা যায়?

খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ শঙ্কৰদেৱৰ পূৰ্বৰ সময়ছোৱাক 'প্ৰাক্‌শঙ্কৰী যুগ' নে 'প্ৰাক্‌বৈষ্ণৱ যুগ' আখ্যা দিয়া উচিত? আপোনাৰ মতৰ সপক্ষে যুক্তি দাঙি ধৰক।

প্ৰশ্ন ২ ঃ 'শঙ্কৰোত্তৰ যুগ'ৰ সাহিত্যক কি কি ভাগত ভাগ কৰিব পাৰি?

প্ৰশ্ন ৩ ঃ অসমীয়া সাহিত্যৰ ৰোমাণ্টিক যুগটোক কোনে 'বেজবৰুৱা যুগ' আখ্যা দিছে? এই অভিধা দিয়াৰ কাৰণ কি বুলি ভাবে?

গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ অসমীয়া সাহিত্যৰ প্ৰথম যুগবিভাজন কোনে কেনেদৰে কৰিছিল? তেওঁৰ এই বিভাজন পৰৱৰ্তী ইতিহাস ৰচোঁতাসকলে কেনেদৰে গ্ৰহণ কৰিছে? বহলাই আলোচনা কৰক।

প্ৰশ্ন ২ ঃ পণ্ডিত মহেশ্বৰ নেওগে অসমীয়া সাহিত্যৰ ইতিহাসক কেনেদৰে ভাগ কৰিছে আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত* গ্ৰন্থখনৰ ৰচক কোন? এই পুথিখনৰ আধাৰত অসমীয়া সাহিত্যৰ যুগবিভাজন কৰি প্ৰতিটো যুগৰ পৰিচয় আগবঢ়াওক।

প্ৰশ্ন ৪ ঃ অসমীয়া সাহিত্যৰ যুগবিভাজনৰ ক্ষেত্ৰত বিভিন্ন পণ্ডিতৰ অভিমত কেনেধৰণৰ আলোচনা কৰক।

*** ***** ***